**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-OCT-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। বিটিচিলৈ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহৰ পুঁজি আৱণ্টন সুনিশ্চিত কৰাৰ সন্দৰ্ভত কালি অসম মন্ত্ৰীসভা আৰু বিটিচি পৰিষদৰ বৈঠক।

২। এছ আই টিয়ে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ

৩। দুদিনীয়া কাৰ্যসূচীৰে কাইলৈৰ পৰা মুখ্যমন্ত্ৰীৰ লখিমপুৰ জিলা ভ্ৰমণ।

৪। কলিয়াবৰৰ শিলঘাট কামাখ্যা সংৰক্ষিত বনাঞ্চলত আজি পুৱা এটা গঁড়ৰ মৃতদেহ উদ্ধাৰ। **আৰু**

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত আজি গুৱাহাটীত দক্ষিণ আফ্ৰিকা ইংলেণ্ডৰ  মুখামুখি।

০০০০০০

দিছপুৰৰ লোকসেৱা ভৱনত কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু অসম মন্ত্ৰীসভাৰ কেইবাজনো মন্ত্ৰীয়ে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰী আৰু পৰিষদৰ অন্যান্য কাৰ্যবাহী সদস্যসকলৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত বিটিচিৰ উন্নয়ন আৰু কল্যাণমূলক বিভিন্ন দিশ সন্দৰ্ভত বিস্তৃতভাৱে পৰ্যালোচনা কৰা হয়। অঞ্চলটোত সকলো কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহৰ পূৰ্ণ ৰূপায়ণ আৰু কল্যাণমূলক আঁচনিৰ ১০০ শতাংশ কাম সুনিশ্চিত কৰাৰ বাবে বিশেষভাৱে নিৰ্দেশনা জাৰি কৰা হৈছে। বড়োভূমিত স্থায়ী শান্তি আৰু উন্নয়নৰ ধাৰা অব্যাহত ৰাখিবলৈ চৰকাৰ বদ্ধপৰিকৰ বুলিও উল্লেখ কৰে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিং, ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও সচিব এই বৈঠকত উপস্থিত থাকে। বৈঠকৰ অন্তত বিধায়ক দুৰ্গা দাস বড়োৱে সংবাদ মাধ্যমৰ আগত এনেদৰে কয়।

**বাইট (দুৰ্গা দাস বড়ো)**

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত কলিয়াবৰ বিধানসভা সমষ্টিৰ মুঠ ৩২ হাজাৰ ৪৮২ গৰাকী হিতাধিকাৰীক উদ্যমিতা পুঁজিৰ চেক বিতৰণৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত অংশগ্ৰহণ মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে কলিয়াবৰ সমষ্টিত প্ৰায় ৪ হাজাৰ আত্মসহায়ক গোট গঠন কৰা হৈছে আৰু এনে আত্মসহায়ক গোটসমূহক শক্তিশালী কৰিবলৈ ৰাজ্য চৰকাৰে বিগত সময়ছোৱাত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। আত্মসহায়ক গোটসমূহৰ মহিলাসকলে বিগত ১২-১৩ বছৰে বেংকৰ পৰা প্ৰায় ১২ হাজাৰ কোটি টকাৰ ঋণ লৈছে আৰু এই ঋণৰ ধন নিয়মীয়াকৈ ঘূৰাই দি আহিছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ৰাজ্যৰ ৪ লাখ আত্মসহায়ক গোটৰ সৈতে জড়িত ৪০ লাখ মহিলাক সামাজিক আৰু ব্যক্তিগতভাৱে সহায় কৰি এখন আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযান আৰম্ভ কৰা হৈছে বুলিও ড০ শৰ্মাই ভাষণত উল্লেখ কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিশেষ তদন্তকাৰী দল এছ আই টিয়ে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ কৰিছে বুলি প্ৰকাশ কৰিছে। সংবাদ মাধ্যমৰ আগত এইকথা প্ৰকাশ কৰি ড০ শৰ্মাই কয়, যে অতি সোনকালেই অভিযোগনামা আদালতত দাখিল কৰা হ'ব। এছ আই টিয়ে বৰ্তমানলৈকে ৭৫ জন ব্যক্তিৰ জবানবন্দী গ্ৰহণ কৰা বুলি তেওঁ প্ৰকাশ কৰে।

ইপিনে কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, সন্দীপন গাৰ্গ, অমৃতপ্ৰভা মহন্ত, শেখৰজ্যোতি গোস্বামী, দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যক কালি পুনৰ ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে।

বিশিষ্ট সাহিত্যিক ড০ ৰীতা চৌধুৰীয়েও কালি জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত চলি থকা তদন্তৰ প্ৰক্ৰিয়াত সহযোগিতা আগবঢ়াই গুৱাহাটীৰ উলুবাৰীৰ চি আই ডিৰ কাৰ্যালয়ত উপস্থিত হৈ এছ আই টিৰ ওচৰত সাক্ষ্য প্ৰদান কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত চলি থকা গোচৰত কালি চাংসাৰি আঞ্চলিক ৰঙালী বিহুৰ বিষয়ববীয়াসকলেও বিশেষ তদন্তকাৰী গোটৰ ওচৰত সাক্ষ্য প্ৰদান কৰে। একেদৰে বাদ্যযন্ত্ৰী চবিন দাসেও কালি এছ আই টিৰ ওচৰত ভাষ্য প্ৰদান কৰে।

নিশা জুবিনক্ষেত্ৰত গৰিমা শইকীয়া গাৰ্গ উপস্থিত হৈ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে পৰহিলৈ মুক্তি পাবলগীয়া জুবিন গাৰ্গৰ বহু প্ৰত্যাশিত ছবি **ৰৈ ৰৈ বিনালে** সন্দৰ্ভতো মন্তব্য কৰে। তেওঁ উল্লেখ কৰে যে **ৰৈ ৰৈ বিনালে** ছবিখন জুবিন গাৰ্গৰ নহয়, এয়া অসমবাসীৰ সপোন। জুবিন গাৰ্গৰ সপোনক বাস্তৱায়িত কৰিবলৈ আমি সকলোৱে চেষ্টা কৰিছো বুলি তেওঁ উল্লেখ কৰে।

**বাইট (গৰিমা)**

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে লখিমপুৰ জিলা ভ্ৰমণ কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতি, আৰক্ষী অধীক্ষক গুণেন্দ্ৰ ডেকা আৰু স্থানীয় বিধায়ক মানৱ ডেকাৰ লগতে বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়াসকলে মুখ্যমন্ত্ৰীগৰাকীয়ে ভ্ৰমণ কৰিবলগীয়া স্থানসমূহ পৰিদৰ্শন কৰি সবিশেষ বুজ লয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৩০ অক্টোবৰ বিয়লি জিলাখনত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰিব। ভ্ৰমণৰ অংশ হিচাপে তেওঁ ৩১ অক্টোবৰত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এখন জনসভাত ভাষণ দিব। মুখ্যমন্ত্ৰীগৰাকীয়ে এই সভাতে লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ছুপাৰ স্পেছিয়েলিটি হাস্পতাল আৰু নাৰ্চিং কলেজৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিব। ড০ শৰ্মাই লগতে লখিমপুৰ কেন্সাৰ হাস্পতালৰ কেইবাটাও বিভাগ ৰাইজৰ বাবে মুকলি কৰিব। এই সন্দৰ্ভত লখিমপুৰৰ পৰা আমাৰ সংবাদদাতা হিমাদ্ৰী দিহিঙ্গীয়া এইদৰে জনাইছে—-

**ভইচ (হিমাদ্ৰী দিহিঙ্গীয়া)**

০০০০০০

খাদ্যৰ সন্ধানত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই আহি কলিয়াবৰৰ শিলঘাট কামাখ্যা সংৰক্ষিত বনাঞ্চলত আশ্ৰয় লৈ থকা এটা গঁড়ৰ মৃতদেহ আজি পুৱা উদ্ধাৰ কৰা হয়। কলিয়াবৰ চাহ বাগিচাৰ কাষত আজি পুৱা স্থানীয় লোকে গঁড়টোৰ মৃতদেহ প্ৰত্যক্ষ কৰে। শিলঘাটৰ বন বিভাগৰ কৰ্মচাৰীসকল ঘটনাস্থলীত উপস্থিত হৈ ইতিমধ্যে তদন্ত আৰম্ভ কৰিছে। প্ৰাৰম্ভিক তদন্তত বাঘৰ আক্ৰমণৰ বাবে ওখ ঠাইৰ পৰা তলত পৰি যোৱাৰ ফলত গঁড়টোৰ মৃত্যু হোৱা বুলি বন বিভাগে সন্দেহ কৰিছে। পশু চিকিৎসকৰ পৰীক্ষাৰ পাছতহে সবিশেষ তথ্য পোহৰলৈ আহিব বুলি বন বিভাগৰ সূত্ৰই জানিবলৈ দিছে। উল্লেখযোগ্য যে প্ৰায় তিনিমাহ পূৰ্বে ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই আহি গঁড়টোৱে শিলঘাট অঞ্চলত বিচৰণ কৰি আছিল।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কহঁৰা বনাঞ্চলত অহা ২ নৱেম্বৰৰ পৰা পৰ্যটকসকলে জীপ আৰু হাতী চাফাৰী কৰিব পাৰিব। ইয়াৰ বাবে বনাঞ্চলখনৰ মূল প্ৰৱেশদ্বাৰ ৰং-তুলিকাৰে সজাই তোলা হৈছে। আৰ্ট ফৰ নেচাৰ নামৰ এটা সংস্থাৰ শিল্পীসকলে উদ্যানখনৰ প্ৰতিটো বন্য জীৱ ছবিৰে প্ৰৱেশদ্বাৰখন সজাই তুলিছে। চালে চকুৰোৱা এই ছবিসমূহে পৰ্যটকসকলক আকৰ্ষণ কৰিব।

oooooo

ভাৰতীয় ৰে'লৱে উৎসৱৰ বতৰত যাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ দেশতে ১২ হাজাৰ ১১ খন ৰে'লৰ চলাচল কৰাইছে। ইয়াৰ অংশ হিচাপে উত্তৰ-পূব সীমান্ত ৰে'লৱে ৪৮ খন বিশেষ ৰে'লৰ চলাচল কৰাইছে। এই ৰে'লগাড়ী কেইখনে ডিচেম্বৰলৈকে ৬২০টা যাত্ৰা সম্পন্ন কৰিব। উত্তৰ-পূব সীমান্ত ৰে'লৱে মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাই জানিবলৈ দিছে যে, আজিৰে পৰা আৰু সাতটা যাত্ৰাপথত ৰে'লৰ চলাচল কৰোৱা হ'ব। ইয়াৰ ভিতৰত ডিব্ৰুগড়ৰ পৰা গৌড়খপুৰলৈকে সাপ্তাহিক এখন বিশেষ ৰে'ল চলোৱা হ'ব। এই ৰে'লখনে ডিব্ৰুগড়ৰ পৰা পুৱা ৯ বাজি ১০ মিনিটত যাত্ৰা আৰম্ভ কৰিব।

oooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ পালন কৰাৰ উদ্দেশ্যে আখৰা পূৰ্ণ গতিত চলি আছে। হোজাই জিলাৰ বামুণগাঁৱতো পৰম্পৰা ৰক্ষা কৰি দুদিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব। লংকাৰ বামুণগাঁও, পিপলপুখুৰী আৰু জুঠাংবস্তি আঞ্চলিক ৰাস উদযাপন সমিতিৰ উদ্যোগত অহা ৫ আৰু ৬ নৱেম্বৰত ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব। প্ৰথম দিনা জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদনেৰে অনুষ্ঠান মুকলি কৰাৰ পাছত শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ কেলিগোপাল নাট অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা স্থানীয় শিল্পীসকলে ভাওনা প্ৰদৰ্শন কৰিব।

oooooo

ডিব্ৰুগড়ৰ মিলন নগৰত ব্ৰাইট দা লাইটৰ সৌজন্যত কালি কবি বৈদ্য ব্ৰাইট বুঢ়াগোহাঁইৰ কাব্য সংকলন 'ব্যঞ্জনবাদ' উন্মোচন কৰা হয়। ঔপন্যাসিক জুৰি বৰা বৰগোহাঁই, অনিৰুদ্ধ দেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° প্ৰাঞ্জল বুঢ়াগোহাঁইয়ে গ্ৰন্থখন উন্মোচন কৰে। অনুষ্ঠানত কবি ড° নিৰোদ গোহাঁই, পোলেন গগৈ, কৌশিক বাস্যস, চিন্তু সমীৰ বৰগোহাঁইকে ধৰি কেইবাগৰাকীও কবি-সাহিত্যিকে অংশগ্ৰহণ কৰে।

oooooo

দৰং জিলাৰ ছিপাঝাৰত কালি নিশা এটা পথ দুৰ্ঘটনাত দুজন মটৰ চাইকেল আৰোহীৰ মৃত্যু হয়। ছিপাঝাৰ সম জিলা কাৰ্যালয়ৰ সন্মুখত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এই পথ দুৰ্ঘটনাত আন এজন আৰোহী আঘাতপ্ৰাপ্ত হয়। মঙলদৈৰ দিশৰ পৰা অহা মটৰ চাইকেলখনত বিপৰীত দিশৰ পৰা অহা এখন ট্ৰাকে খুন্দিওৱাৰ ফলত দুজন আৰোহীৰ থিতাতে মৃত্যু হয়। নিহত যুৱক দুজনৰ ঘৰ ছিপাঝাৰ খলিহৈ মিলন বজাৰত বুলি জানিব পৰা গৈছে।

oooooo

শিৱসাগৰ জিলাৰ দিছিয়ালত কালি দিখৌ নৈত এজন যুৱকৰ মৃতদেহ উদ্ধাৰ কৰা হয়। যুৱকজনক শিৱসাগৰৰ আমোলাপট্টিৰ মুনীন দাস বুলি পৰিয়ালৰ লোকে চিনাক্ত কৰিছে। যোৱা শনিবাৰৰ পৰা যুৱকজন সন্ধানহীন হৈ আছিল। যুৱকজনৰ মটৰ চাইকেল, মোবাইল ফোন আদি সেইদিনাই ঢুলীয়াপাৰত উদ্ধাৰ হৈছিল যদিও যুৱকজনৰ সন্ধান পোৱা হোৱা নাছিল।

oooooo

শিৱসাগৰৰ সামাজিক, সাংস্কৃতিক সংগঠন প্ৰভাতী সংঘৰ উদ্যোগত কালি গছপুলি ৰোপণ কাৰ্যসূচী গ্ৰহণ কৰা হয়। সদ্যপ্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি সংঘৰ কৰ্মকৰ্তাসকলে জেঙণিকটীয়া দুই আলিমাজ

অঞ্চলত ১০০ টা নাহৰ পুলি ৰোপণ কৰা হয়। সংঘৰ সদস্যসকলে ৰোপণ কৰা গছপুলিৰ সঠিক যতন লোৱাৰ দায়িত্ব গ্ৰহণ কৰাৰ লগতে অনাগত সময়ত এই কাৰ্যসূচী ব্যাপক ৰূপত গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰে।

০০০০০০

ঢকুৱাখনা সম জিলাৰ সুলভ মূল্যৰ ব্যৱসায়ীসকলৰ এখন বৈঠক কালি অনুষ্ঠিত হয়। বৈঠকত ব্যৱসায় পৰিচালনা কৰোতে সন্মুখীন হোৱা বিভিন্ন সমস্যা সম্পৰ্কে আলোচনা কৰাৰ লগতে অহা ১ৰ পৰা ১০ নৱেম্বৰলৈ পালন কৰিবলগীয়া অন্নসেৱা দিন আৰু ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীনৰ নতুন আঁচনি ৰূপায়ণ আদি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হ'ব। এই বৈঠকত ঢকুৱাখনা সমষ্টিৰ বিধায়ক নৱ কুমাৰ দলেৰ লগতে লখিমপুৰ জিলা পৰিষদৰ সভানেত্ৰী ছোনিয়া বৰগোহাঁই উপস্থিত থাকে।

০০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেল আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকা ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অসমত প্ৰথমবাৰৰ বাবে হ'বলগীয়া মহিলা বিশ্বকাপ ক্ৰিকেটৰ ছেমি ফাইনেল খেলখনৰ বাবে দৰ্শকৰ মাজত যথেষ্ট আগ্ৰহ পৰিলক্ষিত হৈছে। বৰ্ষাপাৰাত অনুষ্ঠিত পূৰ্বৰ কেইবাখনো আন্তৰ্জাতিক ক্ৰিকেট খেল বৰষুণৰ বাবে বিঘ্নিত হোৱাৰ দুঃসহ স্মৃতি আঁতৰাই গুৱাহাটীৰ ক্ৰিকেট প্ৰেমী আজিৰ খেলখন উপভোগৰ বাবে সাজু হৈছে। বতৰ বিজ্ঞান কেন্দ্ৰৰ আগজাননী অনুসৰি আজি গুৱাহাটীৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থাকিব যদিও খেল ব্যাহত হ'ব পৰা ধৰণৰ বৰষুণৰ সম্ভাৱনা নাই বুলি কোৱা হৈছে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি আবেলি আঢ়ৈ বজাৰ পৰা এই খেলখনৰ হিন্দী আৰু ইংৰাজীত চলন্ত বিৱৰণী প্ৰচাৰ কৰিব। প্ৰাগজ্যোতিষপুৰ শাখাত মিডিয়াম ৱেভৰ ২৮৯ দশমিক ৯ মিটাৰত এই বিৱৰণী শুনিবলৈ পোৱা যাব।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্টজত শুনিছে। মধ্য অসম আৰু পাৰ্বত্য জিলা দুখনৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ দশমিক ৭ মেগা হাৰ্টজত আকাশবাণী নগাঁও কেন্দ্ৰৰ পৰা, ১০০ দশমিক ২ মেগা হাৰ্টজত আকাশবাণী হাফলং কেন্দ্ৰৰ পৰা, ১০০ দশমিক ৯ মেগা হাৰ্টজত আকাশবাণী ডিফু কেন্দ্ৰৰ পৰা, ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং, ১০০ দশমিক ৬ মেগা হাৰ্টজত বকলীয়া আৰু ১০২ দশমিক ১ মেগা হাৰ্টজত সৰিয়হজান ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই অষ্টম কেন্দ্ৰীয় দৰমহা আয়োগৰ কাৰ্যক্ষেত্ৰৰ পৰিসৰত কালি অনুমোদন জনাইছে। এই অনুসৰি ২০২৬ চনৰ ১ জানুৱাৰীৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী আৰু অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলে নতুন নিৰিখত দৰমহা লাভ কৰিব। এই বাতৰিটো **অসমীয়া প্ৰতিদিন, দৈনিক অগ্ৰদূত, দা ছেণ্টিনেল** আদিকে ধৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত গ্ৰেপ্তাৰ হোৱা ৭ জন অভিযুক্তৰ পুনৰ ১৪ দিনৰ বাবে ন্যায়িক জিম্মাৰ ম্যাদ বৃদ্ধি কৰাৰ বাতৰিটো **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত এছ আই টিয়ে প্ৰায় সম্পূৰ্ণ কৰিছে আৰু অচিৰেই আদালতত অভিযোগনামা দাখিল কৰা হ'ব বুলি কালি

কলিয়াবৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰ আগত প্ৰকাশ কৰা বাতৰিটোক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেল আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। অসমত প্ৰথমবাৰৰ বাবে হ'বলগীয়া মহিলা বিশ্বকাপ ক্ৰিকেটৰ ছেমি ফাইনেল খেলখনৰ বাবে দৰ্শকৰ মাজত যথেষ্ট উৎসাহ পৰিলক্ষিত হৈছে। এই বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে মুখ্য বাতৰিত স্থান দিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত কলিয়াবৰ বিধানসভা সমষ্টিৰ হিতাধিকাৰীক উদ্যমিতা পুঁজিৰ চেক বিতৰণৰ শুভাৰম্ভ কৰাৰ বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

টাই-আহোমক স্বায়ত্ত শাসন আৰু জনজাতিৰ মৰ্যাদা প্ৰদানৰ দাবীত কালি সন্ধিয়া মৰাণত পুনৰ ২০ সহস্ৰাধিক টাই-আহোম লোক ৰাজপথলৈ ওলাই অহাৰ বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আহক আমি পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী আৰু পৰৱৰ্তী সময়ত ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত মেঘালয়, মণিপুৰ আৰু মিজোৰামত ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ লগতে অৰুণাচল প্ৰদেশ, অসম, ত্ৰিপুৰা আৰু নাগালেণ্ডৰ বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত